# প্ৰাকৃতিক জলাশয়ত মীন উন্নয়নৰ সুবিধা আৰু অসুবিধা আৰু ইয়াৰ সংৰক্ষণ

উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ ৰাজ্য অসমত দ জলাহ, খাল, বিল আদিৰ লগতে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী আৰু ইয়াৰ উপনৈ সমূহৰে এক বিস্তীৰ্ণ জলসমপদ আছে। ৰাজ্যখনত থকা জলসমপদ সমূহ হ'ল :

| | |
|---|---|
| ● নদী : | ২,০৫,০০০ হেক্টৰ। |
| ● বিল/অশ্বখুড়া হ্ৰদ : | ১,০০,৮১৫ হেক্টৰ। |
| ● বনাঞ্চল : | ৫,০১৭ হেক্টৰ। |
| ● পৰিত্যক্ত জলাশয় আৰু পিতনি : | ৩০,১২৪ হেক্টৰ। |
| ● সৰোবৰ : | ১,৭১৩ হেক্টৰ। |
| ● পুখুৰী : | ৩১,২৩২ হেক্টৰ। |
| মুঠ : | ৩,৭৩,৯০১ হেক্টৰ। |

শেহতীয়া তথ্য অনুসৰি জনমূৰি বছৰি ১১ কিঃ গ্ৰাঃ মাছৰ হিচাবত ৰাজ্যখনত বছৰি প্ৰায় ২.৯০ লাখ টন মাছৰ চাহিদাৰ বিপৰীতে ১.৮৭ লাখ টন মাছ উৎপাদন হয়। কিন্তু অকল পুখুৰীৰ পৰাই ইমান ঘাটি মাছ উৎপাদন কৰা সম্ভৱ নহয়। প্ৰাকৃতিক জলসমপদ সমূহ সঠিকভাৱে মীন উৎপাদনৰ বাবে ব্যৱহাৰ কৰিব পাৰিলেহে এই ঘাটিসমূহ কিছু পৰিমাণে কমাব পৰা যাব। কিন্তু নদী আৰু উপনৈ সমূহৰ পৰা মাছ উৎপাদন ইমান সহজসাধ্য নহয়। মুক্ত জলাশয় সমূহ অকল মাছ ধৰাতে সীমাবদ্ধ নাৰাখি ইয়াত মাছ পালন পদ্ধতি ৰূপায়িত কৰিব পাৰিলেহে ফলপ্ৰসুভাৱে মাছ উৎপাদন সম্ভৱ হ'ব।

**বিলঃ**

অসমত বৰ্তমানলৈকে ১৩৯২ খন বিল আছে আৰু ইয়াৰে ৪২৩ খন পঞ্জীয়নভুক্ত। উত্তৰ লক্ষীমপুৰ, নগাওঁ, গোৱালপাৰা, ধুবুৰী, মৰিগাওঁ আৰু কাছাৰ আদি জিলাত বহুসংখ্যক বিল আছে। ১০০ হেক্টৰৰ কম আকাৰৰ বিলক সৰু বিল, ১০০-৫০০ হেক্টৰ আকাৰ বিলক মধ্যমীয়া আৰু ৫০০ হেক্টৰতকৈ বৃহৎ আকাৰৰ বিলক ডাঙৰ বিল বুলি কোৱা হয়। নদীৰ লগত সংযোগ থকা বিলাক মুক্ত বিল আৰু সংযোগ নথকা বিলাক মৃত বিল কোৱা হয়। অসমৰ শতকৰা প্ৰায় দহভাগমান বিলহে মাছ উৎপাদনৰ উপযোগী আৰু বাকীখিনি অৰ্দ্ধ পৰিত্যক্ত আৰু পৰিত্যক্ত অৱস্থাৰ। ৰাজ্যখনত থকা প্ৰায় ৪০,০০০ হেক্টৰ অপঞ্জীয়নভুক্ত বিলৰ ভিতৰত প্ৰায় ১০,০০০ হেক্টৰ অৰ্দ্ধপৰিত্যক্ত আৰু বাকীখিনি পৰিত্যক্ত। অপঞ্জীয়নভুক্ত বিলখিনিও বৰ্তমানে মীন পালনৰ বাবে উপযোগী নহয়। অসম চৰকাৰ মীনবিভাগে বিশ্ব-বেংকৰ অৰ্থ সাহাৰ্যত অসম কৃষি সামৰ্থবৰ্দ্ধন প্ৰকল্পৰ অধীনত পঞ্জীয়নভুক্ত বিলখিনিৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমান অসমৰ বিলসমূহৰ প্ৰতি হেক্টৰত বছৰি গড় উৎপাদন প্ৰায় ১২০-৩২০ কিঃ গ্ৰাঃ (CIFRI, NERC, Guwahati) আৰু ইয়াৰ উৎপাদন কম হোৱাৰ প্ৰধান কাৰণসমূহ হ'ল :

● বিলত নিজে নিজে মাছ সোমোৱা বন্ধ হোৱা।

- বিলবিলাক ক্ৰমান্বয়ে বাম হৈ অহা।
- যধেমধে মাছ ধৰা।
- জলজ অপতৃনৰ অতিচাৰ হোৱা।
- বিজ্ঞানসন্মত ব্যৱস্থাৱলীৰ অভাৱ।

কিন্তু প্ৰকৃতি প্ৰদত্ত এই বিলসমূহ মানুহৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। ইয়াত বছৰি প্ৰতি হেক্টৰ পানী কালিত প্ৰায় ১০০০-১৫০০ কিঃগ্ৰাঃ পৰ্যন্ত মাছ উৎপাদনৰ সুবিধা আছে। তদুপৰি বিলসমূহে ইয়াৰ ওচৰ চুবুৰীয়া বহুলোকক সংস্থাপন দিব পাৰিছে। বিলসমূহত

**মাছৰ উৎপাদন বৃদ্ধিৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী হ'ল :**

- বিলসমূহত উপযুক্ত আকাৰৰ মাছৰ পোন মেলা নিশ্চিত কৰা।
- বিলত মাছ পালনৰ বাবে প্ৰাকৃতিক পৰিৱেশ অক্ষুন্ন ৰখা।
- বিলত আবেষ্টন আৰু সঁজা পদ্ধতিৰ দ্বাৰা মীন পোনা প্ৰতিপালন কৰা।
- মীন আইন মানি চলি কাৰ্যব্যৱস্থা হাতত লোৱা।

**পালনৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাৱলী হ'ল :**

- মাছৰ আকাৰ আৰু সংখ্য সঠিক হাৰত নিৰূপণ।
- সঠিক মাছ প্ৰজাতি নিৰ্বাচন।
- মাছ ধৰা সঁজুলি আৰু কৌশল নিৰূপন ইত্যাদি।
- যিহেতু বিল এখনৰ মাছৰ ওপৰতে ইয়াৰ ওচৰ চুবুৰীয়া বহুতো পৰিয়ালে জীৱিকা নিৰ্বাহ কৰি আছে, গতিকে বিলসমূহত অধিক হাৰত মাছ উৎপাদন হ'লেহে ইয়াৰ ওপৰত নিৰ্ভৰ কৰা পৰিয়াল সমূহৰ আৰ্থ সামাজিক বিকাশ সম্ভৱ হ'ব।

**দ জলাহ সমূহত মাছ সংৰক্ষণৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহ :**

- বিলৰ বাম অঞ্চলত কৃষিৰ বাবে ব্যৱহাৰ নকৰিব।
- বিলৰ ওচৰ পাজৰৰ শাক-পাচলিৰ বাৰীত কীটনাশক দৰৱ প্ৰয়োগ নকৰিব।
- অজৈৱিক সাৰ ব্যৱহাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ প্ৰয়োগ কৰক।
- বিলৰ পাৰত ৰাইজৰ মাটিত কীটনাশক দৰৱ আৰু অন্যান্য ৰাসায়নিক পদাৰ্থ প্ৰয়োগৰ কুফল সমপৰ্কে ওচৰ চুবুৰীয়া ৰাইজক বিভিন্ন উপায়ে সচেতন কৰাৰ বাবে সজাগতা শিৱিৰ, প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰিব লাগে।
- মুক্ত বিলৰ ক্ষেত্ৰত বিলত পানী সোমোৱা আৰু ওলাই যোৱা নলা যাতে সদায় মুকলি হৈ থাকে সেইটো নিশ্চিত হ'ব লাগে।
- বিদেশী মাছ বিলত মেলাৰ যি নিষেধাজ্ঞা আছে সেইটো সমপূৰ্ণৰূপে মানি চলিব লাগে।
- যিহেতু সকলে প্ৰজাতিৰ মাছ বিলত পালনৰ বাবে উপযোগী নহয়, পালনৰ আগে আগে তাত থকা মাছৰ জৈৱবৈচিত্ৰ সমপৰ্কে জ্ঞান থকা দৰকাৰ।

**বিলত মাছ পালন কৰোতে পৰ্যবেক্ষণ কৰিবলীয়া কথা :**

- বছৰি জৈৱবৈচিত্ৰৰ পৰ্যবেক্ষণ।
- বিলৰ আকাৰ।
- পাৰত কীটনাশক দৰব আৰু অজৈৱিক সাৰ অবিহনে কৃষি।
- বিদেশী মাছ নেমেলা।
- উৎপাদন বৃদ্ধি।

**নদীত মীন প্ৰগহণ :**

ৰাজ্যখনত ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহ বৃহৎসংখ্যক জলৰাশিৰে আবৃত হৈ আছে। ব্ৰহ্মপুত্ৰ নদীয়ে অসমত প্ৰায় ৭৩০ কিঃমিঃ বৈ গৈ বাংলাদেশত পৰিছে। তদুপৰি ইয়াৰ ৪ খন উপনৈয় সৰ্বমুঠ ৪০০০ কিঃমিঃ বৈ প্ৰায় ৫৮০,০০০ বৰ্গ কিঃমিঃ বিস্তৃত হৈ আছে। ব্ৰহ্মপুত্ৰ উত্তৰৰ উপনৈ সমূহে তুলনামূলকভাৱে ডাঙৰ, বাম আৰু অধিক গেদেৰে পৰিপূৰ্ণ। ৰাজ্যখনত বৰ্তমানলৈকে ২১৭ বিধ মাছ প্ৰজাতি আছে আৰু ইয়াৰে আধাতকৈয়ো অধিক প্ৰজাতি নদীত পোৱা যায়।

আজিকালি ৰাজ্যখনৰ নৈ-উপনৈ সমূহ খৰাং হৈ অহাত আৰু বানপানীৰ সুৰক্ষাৰ বাবে নদীৰ পাৰত দিয়া বান্ধৰ বাবে উদ্যোগিক প্ৰতিষ্ঠানৰ পেলনীয়া দ্ৰব্য নিঃশৰণৰ বাবে হোৱা প্ৰদূষণ আৰু মীন আইন নামানি প্ৰজনন ঋতুৰ সময়ত গাভিনী মাছ ধৰা, সৰু পাহিৰ জাল ব্যৱহাৰ কৰি মাছ ধৰা আদি কাৰ্যৰ ফলত লাহে লাহে ৰাজ্যখনৰ নদীসমূহৰ পৰা মাছ কমি আহিছে। অসম মীন নীতি ১৯৫৩ আৰু ইয়াৰ সংশোধনী নীতি ২০০5 অনুসৰি নদীত মাছ ধৰা আহনি ব্যৱস্থাসমূহ সঠিকৰূপে বলবৎ হ'লেহে ৰাজ্যখনত নদীৰ পৰা অধিক মাছ উৎপাদন হ'ব।

**অসম কৃষি সামৰ্থ্যবৰ্দ্ধন প্ৰকল্পৰ সৌজন্যত মীন সঞ্চালক, অসম,**
**গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। দূৰভাষ-০৩৬১-২৫৪৫১০৪**

**বুলেটিন নং ৫ ২০০৬-০৭ চন**